**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 30-06-2024
**Time :** 18-45 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - -

১।	৬৫ কোটি নাগৰিকৰ ভোটদানেৰে চলিত বৰ্ষৰ সাধাৰণ নিৰ্বাচন  বিশ্বৰ সৰ্ববৃহৎ নিৰ্বাচনৰূপে পৰিগণিত হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ মন কী বাতত প্ৰকাশ।

২।	কাইলৈৰ পৰা বলবৎ হ'বলগীয়া নতুন ফৌজদাৰী আইন তিনিখন সফলতাৰে প্ৰৱৰ্তনৰ বাবে ৰাজ্য চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগৰ মুখ্য সচিবৰ নেতৃত্বত এখন ৰাজ্যিক পৰ্যায়ৰ কৰ্ণধাৰ সমিতি গঠন।

৩।	চৰকাৰী চিকিৎসকে কৰ্তব্যৰ সময়চোৱাত ব্যক্তিগত চিকিৎসালয়ত চিকিৎসা আগবঢ়াব নোৱাৰিব বুলি ৰাজ্যৰ স্বাস্থ্য বিভাগৰ নিৰ্দেশনা।

৪।	ৰাজ্যৰ ৭ খন জিলা বানৰ কবলত। ১লাখ ৩৪ হাজাৰ লোক ক্ষতিগ্ৰস্ত।

**আৰু**

৫।	চেন্নাইত অনুষ্ঠিত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ মহিলা টেষ্ট ক্ৰিকেটৰ তৃতীয় দিনাৰ খেলৰ অন্তত দক্ষিণ আফ্ৰিকাৰ দ্বিতীয় ইনিংচত ২টা উইকেটৰ বিনিময়ত ২৩২ ৰান সংগ্ৰহ।

oooooooo

লোকসভা নিৰ্বাচনত দেশৰ সংবিধান আৰু গণতান্ত্ৰিক ব্যৱস্থাৰ প্ৰতি পুনৰ আস্থা প্ৰকাশ কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসাধাৰণৰ শলাগ লৈছে। আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি আজি ৰাষ্ট্ৰক উদ্দেশ্যি শ্ৰীমোদীয়ে কয় যে, চলিত বৰ্ষৰ সাধাৰণ নিৰ্বাচন বিশ্বৰ সৰ্ববৃহৎ নিৰ্বাচনৰূপে পৰিগণিত হৈছে আৰু এইবাৰৰ লোকসভা নিৰ্বাচনত ৬৫ কোটি লোকে গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছে। বিশ্বৰ আন কোনো দেশত কেতিয়াও ইমান সংখ্যক লোকে গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰা নাই বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰিছে। শ্ৰীমোদীয়ে লগতে নিৰ্বাচন আয়োগ আৰু নিৰ্বাচনী প্ৰক্ৰিয়াৰ সৈতে জড়িত সকলোকে অভিনন্দন জনাইছে।

প্ৰধানমন্ত্ৰীয়ে কৈছে যে, ৩০ জুন এটা গুৰুত্বপূৰ্ণ দিন কিয়নো এই দিনটোতে হুল দিৱস পালন কৰা হয়। তেওঁ কয় যে এই দিৱস বৃটিছ শাসকসকলৰ আতিশয্যৰ বিৰোধিতা কৰা সিদ্ধো আৰু কানহুৰ অদম্য সাহসৰ সৈতে জড়িত। বীৰ সিদ্ধো আৰু কানহুই ১৮৫৫ চনত এই সংগ্ৰামত অদম্য সাহসৰ প্ৰদৰ্শন কৰি শ্বহিদ হৈছিল বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। এইবেলি বিশ্ব পৰিবেশ দিৱস উপলক্ষে আৰম্ভ কৰা  এক পেড় মা কে নাম নামৰ বিশেষ অভিযানৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে সমগ্ৰ বিশ্বৰে জনসাধাৰণক মাতৃৰ সৈতে এটি গছপুলি ৰোপণ কৰিবলৈ অথবা এটি পুলি মাৰ নামত উৎসৰ্গা কৰিবলৈ আহ্বান জনাইছে। শ্ৰীমোদীয়ে কয় যে, ভাৰতত যোৱা দশকত বনভূমিৰ অভূতপূৰ্ব সম্প্ৰসাৰণ পৰিলক্ষিত হৈছে। তেওঁ কয় যে, অমৃত মহোৎসৱৰ সময়ত সমগ্ৰ দেশত ৬০ হাজাৰৰো অধিক অমৃত সৰোবৰ বিকশাই তোলা হৈছে।

বাৰিষা ঋতু সন্দৰ্ভত মত প্ৰকাশ কৰি শ্ৰীমোদীয়ে কেৰালাত  নিৰ্মাণ কৰা কাৰ্থুম্বি নামৰ এবিধ বিশেষ ছাতিৰ কথা উল্লেখ কৰে।  প্ৰধানমন্ত্ৰীয়ে এই ৰং বিৰঙৰ ছাতি নিৰ্মাণ কৰাৰ বাবে কেৰালাৰ জনজাতীয় মহিলাসকলৰ প্ৰশংসা কৰে আৰু বিশ্বৰ বিভিন্ন প্ৰান্তত এই ছাতিৰ বৰ্ধিত চাহিদাক লৈ সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয় যে, ভোকেল ফৰ লোকেল অৰ্থাৎ স্থানীয় সামগ্ৰীৰ পোষকতা কৰাৰ ইয়াতকৈ ভাল উদাহৰণ একোৰেই হ'ব নোৱাৰে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

কুৱেইট চৰকাৰে ৰাষ্ট্ৰীয় ৰেডিঅ'ত  হিন্দী ভাষাত বিশেষ অনুষ্ঠান আৰম্ভ কৰা বুলি প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ কয় যে প্ৰতি দেওবাৰে কুৱেইট ৰেডিঅ'ত আধা ঘণ্টাৰ বাবে এই অনুষ্ঠান প্ৰচাৰ কৰা হয়। শ্ৰীমোদীয়ে এই ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে কুৱেইটৰ চৰকাৰ আৰু জনসাধাৰণক ধন্যবাদ জ্ঞাপন কৰে।

যোগ সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে কয় যে, সমগ্ৰ বিশ্বই দশম আন্তৰ্ৰাষ্ট্ৰীয় যোগ দিৱস অতি উৎসাহেৰে পালন কৰিছে। তেওঁ কয় যে, যোগ দিৱসৰ আয়োজন আগবঢ়াৰ লগে লগে প্ৰতিবছৰে নতন নতুন অভিলেখৰো সৃষ্টি হৈছে। এনে ধৰণৰ একাংশ সাফল্যত আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, চৌদি আৰৱত এইবেলি অল হনৌফ  নামৰ এগৰাকী মহিলাই প্ৰথমবাৰৰ বাবে যোগাভ্যাসত নেতৃত্ব দিয়ে। ইজিপ্তত যোগাভ্যাসৰ দিনা এখন ফটো প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। নীল নৈৰ পাৰ, লোহিত সাগৰৰ তীৰত আৰু পিৰামিডৰ সন্মুখত লাখ লাখ লোকে যোগাভ্যাস কৰাৰ আলোকচিত্ৰ অতিকে জনপ্ৰিয় হোৱা বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। বাহৰেইনত দিব্যাংগ শিশুৰ বাবে বিশেষ শিবিৰৰো আয়োজন কৰা বুলিও শ্ৰীমোদীয়ে প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে অহা মাহত আৰম্ভ হ'বলগীয়া পেৰিছ অলিম্পিকৰ কথা উল্লেখ কৰে। তেওঁ অলিম্পিকত অংশগ্ৰহণ কৰিবলগীয়া ভাৰতীয় দলটোক শুভেচ্ছা জ্ঞাপন কৰিছে।

শ্ৰীমোদীয়ে কয় যে, সমগ্ৰ দেশে খেলুৱৈসকলে পদক অৰ্জন কৰি ঘৰলৈ ঘুৰি আহিব বুলি সমগ্ৰ দেশে আশাৰে বাট চাই আছে। তেঁও কয় যে, অনাগত দিনত তেঁও ভাৰতীয় দলটোৰ সৈতে মিলিত হব আৰু দেশৰ হৈ তেওঁলোকক সাহস যোগাব। তেওঁ জনসাধাৰণক #Cheer ৪ Bharat ত ভাৰতীয় দলটোক উৎসাহ দিবলৈ আহ্বান জনায়।

০০০০০০০০

সমগ্ৰ দেশজুৰি কাইলৈৰ পৰা তিনিখন নতুন ফৌজদাৰী আইন বলবৎ হ'ব। ঔপনিবেশিক সময়ৰ পৰা চলি অহা ভাৰতীয় দণ্ডবিধি, ফৌজদাৰী বিধি আৰু ভাৰতীয় সাক্ষ্য আইনৰ পৰিৱৰ্তে কাইলৈৰ পৰা ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম নামৰ নতুন আইন তিনিখন বলবৎ হ'ব। অসম চৰকাৰে এই আইন তিনিখন ৰাজ্যত নিয়াৰিকৈ প্ৰৱৰ্তনৰ বাবে ন্যায় বিভাগ আৰু অসম আৰক্ষীৰ সহযোগত যাৱতীয় কাৰ্যব্যৱস্থা গ্ৰহণ কৰিছে। তদুপৰি নতুন আইনকেইখনৰ সফল ৰূপায়ণৰ বাবে ৰাজ্য চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগে মুখ্য সচিবৰ নেতৃত্বত এখন ৰাজ্যিক পৰ্যায়ৰ কৰ্ণধাৰ সমিতি গঠন কৰি দিছে। আৰক্ষী সঞ্চালক প্ৰধানক সদস্য, ন্যায়িক বিভাগৰ আইনী পৰামৰ্শদাতাক সদস্য সচিব আৰু কাৰাগাৰ মহাপৰিদৰ্শক, ফৰেণচিক বিজ্ঞান গৱেষণাগাৰৰ সঞ্চালক তথা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ লোক অধিবক্তাক সদস্য হিচাপে লৈ গঠন কৰা সমিতিখনে আইন তিনিখন সন্দৰ্ভত কেইবালানিও বৈঠক অনুষ্ঠিত কৰিছে। ইয়াৰ সমান্তৰালকৈ চৰকাৰী অধিবক্তা আৰু আৰক্ষী লোকসকলক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।

ইপিনে, আজি গুৱাহাটী প্ৰেছ ক্লাৱৰ উদ্যোগত নতুন আইনকেইখন সন্দৰ্ভত সংবাদ মাধ্যমৰ বাবে এখন কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাত অংশ লৈ অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগৰ অতিৰিক্ত সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তাই কয় যে নতুন আইনত দণ্ড প্ৰদানৰ পৰিৱৰ্তে ন্যায় প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ দ্বাৰা ভুক্তভোগীয়ে স্বচ্ছ প্ৰক্ৰিয়াৰে দ্ৰুতভাৱে ন্যায় লাভ কৰিব বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয় যে এতিয়া যিকোনো লোকে থানালৈ নোযোৱাকৈ বৈদ্যুতিন মাধ্যমেৰে এজাহাৰ দাখিল কৰিব পাৰিব। একেদৰে এই মাধ্যমেৰে চমন জাৰি কৰিব পৰা যাব। তদুপৰি নতুন আইনত সাক্ষীসকলৰ সুৰক্ষাত অধিক গুৰুত্ব দিয়া হৈছে বুলি তেওঁ কয়। ইয়াৰ ওপৰত ভিত্তি কৰি অসম চৰকাৰৰ নলবাৰীত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত সাক্ষী সুৰক্ষা আঁচনিত অনুমোদন দিয়া হৈছে বুলিও শ্ৰীগুপ্তাই জানিবলৈ দিয়ে। এই কৰ্মশালাত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা অংশুমান বৰাও উপস্থিত থাকে। অধিবক্তাগৰাকীয়ে আইন তিনিখন সন্দৰ্ভত বিস্তৃতভাৱে ব্যাখ্যা আগবঢ়ায়।

০০০০০০০০

চৰকাৰী চিকিৎসকে কৰ্তব্যৰ সময়চোৱাত ব্যক্তিগত চিকিৎসালয়ত চিকিৎসা আগবঢ়াব নোৱাৰিব বুলি ৰাজ্যৰ স্বাস্থ্য বিভাগে নিৰ্দেশনা জাৰি কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশৰ পিছতে স্বাস্থ্য, শিক্ষা আৰু গৱেষণা বিভাগৰ আয়ুক্ত সচিব সিদ্ধাৰ্থ সিঙে এই সন্দৰ্ভত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ আয়ুক্ত সচিবলৈ এখন পত্ৰ প্ৰেৰণ কৰে। এই পত্ৰযোগে চিকিৎসা মহাবিদ্যালয়ৰ অধ্যাপককে ধৰি চৰকাৰী চিকিৎসকে ব্যক্তিগত চিকিৎসা সেৱাত যাতে জড়িত নাথাকে সেয়া নিশ্চিত কৰিবলৈ সকলো ব্যক্তিগত খণ্ড চিকিৎসালয়ক স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ জৰিয়তে নিৰ্দেশনা দিবলৈ অনুৰোধ জনোৱা হৈছে। এই নিৰ্দেশনা যাতে সঠিকভাৱে পালন হয় তাৰ বাবে সময়ে সময়ে ব্যক্তিগত খণ্ড চিকিৎসালয়সমূহ পৰিদৰ্শন কৰিবলৈ পত্ৰখনত উল্লেখ কৰা হৈছে। একেদৰে নিয়ম ভংগ কৰা ব্যক্তিগত চিকিৎসালয়, নাৰ্চি হোমৰ বিৰুদ্ধে উপযুক্ত ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়া হৈছে। লগতে  ব্যক্তিগত চিকিৎসালয় পৰিদৰ্শনৰ মাহটোৰ তথ্য চৰকাৰক অৱগত কৰিব লাগিব বুলি পত্ৰত উল্লেখ কৰে। উল্লেখযোগ্য যে যোৱা ২৭ জুনত মুখ্যমন্ত্ৰীগৰাকীয়ে বৰপেটাৰ ফকৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতাল পৰিদৰ্শন কৰি কৰ্তব্যৰ সময়ত কোনো ব্যক্তিগত চিকিৎসালয়ত ব্যস্ত হৈ নাথাকে তাৰ বাবে ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিছিল। এই নিৰ্দেশৰ পাছতে সমগ্ৰ বিষয়টোক লৈ স্বাস্থ্য, শিক্ষা আৰু গৱেষণা বিভাগে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগলৈ পত্ৰ প্ৰেৰণ কৰে।

oooooooo

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি বিগত ২৪ ঘণ্টাত ৰাজ্যৰ ৭খন জিলাৰ ৪১১খন গাওঁ বানৰ কবলত পৰিছে। তথ্য অনুসৰি বানত প্ৰায় ১লাখ ৩৪ হাজাৰ লোক ক্ষতিগ্ৰস্ত হৈছে। ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি হোৱাৰ ফলস্বৰূপে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কেইবাটাও অঞ্চল বানত বুৰ গৈছে। কঁহৰা বনাঞ্চলৰ আৰিমৰা আৰু অগৰাতলী বনাঞ্চলৰ মাকলুং বন শিবিৰ প্লাবিত হৈছে। ইপিনে, দেৰগাঁৱৰ চৰাই চাপৰি, নাৰমাৰি, আবানি, শগুণ পাৰাকে ধৰি কেইবাখনো গাঁৱত বানে জটিল ৰূপ ধাৰণ কৰিছে। বানত কেইবাটাও মূল পথ বুৰ যোৱাত বন্যাৰ্তই যাতায়তৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে।

আনহাতে, তিনিচুকীয়া জিলাৰ বান পৰিস্থিতি এতিয়াও অপৰিৱৰ্তীত হৈ আছে। জিলাখনৰ নৈ-উপনৈ জলস্তৰ বৃদ্ধি পোৱাৰ ফলত প্ৰতিদিনে ন ন অঞ্চল প্লাবিত হৈছে। দুৰ্যোগজনিত জৰুৰীকালীন সহায়ৰ বাবে জিলা প্ৰশাসনে ২৪ ঘণ্টাই কাৰ্যক্ষম হৈ থকাকৈ কেইবাটাও দূৰভাষ নম্বৰ মুকলি কৰিছে।

ইপিনে,  ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি পোৱাৰ বাবে জল পৰিবহণ বিভাগে অনিৰ্দিষ্ট কাললৈ মাজুলি-নিমাতি সংযোগী ফেৰী সেৱা বন্ধৰ সিদ্ধান্ত গ্ৰহণ কৰে।

ব্ৰহ্মপুত্ৰ বাঢ়নি পানীয়ে মেলেং বালিচাপৰিৰ ৰঙাজান বাঘজান শ্লুইচ গেটৰ এটা অংশ ভাঙি নিয়ে। ভগা শ্লুইছ গেটেৰে সোমোৱা পানীয়ে কৃষি ভূমিৰ লগতে আবাসগৃহ বুৰাই পেলোৱাৰ আংশকাই দেখা দিছে।

যোৰহাট জিলাৰ টীয়ক আৰু পূব যোৰহাট ৰাজহ চক্ৰৰ অন্তৰ্গত জাজীমুখতো বানে জটিল ৰূপ ধাৰণ কৰিছে। বাঢ়নি পানীয়ে ইতিমধ্যে দুয়োটা ৰাজহ চক্ৰৰ অন্তৰ্গত প্ৰায় ২৫খন গাওঁ বুৰাই পেলোৱাৰ লগতে বহু হেক্টৰ কৃষিভূমি প্লাবিত কৰিছে।

ইপিনে, জলসম্পদ মন্ত্ৰী পিয়ুষ হাজৰিকাই আজি গোলাঘাটৰ তেতেলীতলৰ হাঁহচ'ৰা পথাৰৰ ধনশিৰি নদীৰ নৱনিৰ্মিত মথাউৰিটো পৰিদৰ্শন কৰে। তেওঁ হোজাই,নগাওঁ জিলাৰ কামপুৰ আৰু বৰাক উপত্যকাত মথাউৰি নিৰ্মাণৰ কাম কৰিবলগীয়া আছে বুলি উল্লেখ কৰে। ইয়াৰপূৰ্বে তেওঁ গোলাঘাটৰ সাংবাদিক বিকাশ শৰ্মাৰ বাসগৃহত উপস্থিত হৈ স্বাস্থ্যৰ বুজ লোৱাৰ লগতে অসম চৰকাৰৰ তৰফৰ পৰা ২লাখ টকাৰ আৰ্থিক সাহায্য আগবঢ়ায়। আনহাতে, আঠখেলীয়া মথাউৰি পৰিদৰ্শন কৰাৰ লগতে তেওঁলোকে চিংফুৰাত কাকডোঙা মথাউৰি উদ্বোধন কৰি এখন জনসভাত অংশগ্ৰহণ কৰে।

00000000

চেন্নাইত অনুষ্ঠিত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ মহিলা টেষ্ট ক্ৰিকেটৰ আজি তৃতীয় দিনাৰ খেলৰ অন্তত দক্ষিণ আফ্ৰিকা দ্বিতীয় ইনিংচত ১০৫ ৰানত পিছপৰি আছে। উল্লেখযোগ্য যে খেলখনত ভাৰতে টচত জিকি প্ৰথমে বেট ধৰি ৬ উইকেটৰ বিনিময়ত ৬০৩ ৰান কৰি প্ৰথম ইনিংচ ঘোষণা কৰে। ভাৰতৰ হৈ চেফালি বাৰ্মাই ২০৫ ৰান আৰু স্মৃতি মান্ধানাই ১৪৯ ৰানৰ বৰঙণি আগবঢ়ায়। দক্ষিণ আফ্ৰিকাই প্ৰথম ইনিংচত আটাইকেইটা উইকেট হেৰুৱাই ২৬৬ ৰানহে কৰিবলৈ সমৰ্থ হয় আৰু ফ'ল' অন কৰি দ্বিতীয় ইনিংচৰ খেলা আৰম্ভ কৰি আজি তৃতীয় দিনৰ খেলৰ অন্তত ২ উইকেটৰ বিনিময়ত ২৩২ ৰান কৰে। ভাৰতৰ হৈ প্ৰথম ইনিংচত স্নেহ ৰানাই ৮ টা উইকেট দখল কৰে।

00000000

ভাৰতৰ আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত বিজয়ীৰ খিতাপ দখল, অসমৰ ক্ৰিকেটাৰ ৰিয়ান পৰাগৰ জিম্বাব'ৱেৰ বিৰুদ্ধে হ'বলগীয়া টি-টুৱেণ্টি ক্ৰিকেটৰ ভাৰতীয় পুৰুষ দলত স্থান লাভ, অসম কেবিনেটত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ, ওম বিৰলা একেৰাহে দ্বিতীয় বাৰৰ বাবে লোকসভাৰ অধ্যক্ষ নিৰ্বাচিত হোৱাকে ধৰি ভালেসংখ্যক গুৰুত্বপূৰ্ণ বাতৰি বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰে।

00000000

ভাৰতে যোৱা নিশা অনুষ্ঠিত উত্তেজনাপূৰ্ণ ফাইনেল খেলখনত দক্ষিণ আফ্ৰিকাক ৭ ৰানত পৰাস্ত কৰি ১৭ বছৰৰ পাছত দ্বিতীয়বাৰৰ বাবে আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ খিতাপ দখল কৰে। ভাৰতে কিংষ্টন অভেলত অনুষ্ঠিত খেলখনত প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ বিৰাট কোহলিৰ ৭৬ আৰু অক্সৰ পেটেলৰ ৪৭ ৰানৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৭৬ ৰান কৰে। ভাৰতৰ হাৰ্দিক পাণ্ডিয়াই তিনিটা উইকেট দখল কৰাৰ বিপৰীতে যশপ্ৰীত বুমৰাহ আৰু অশদীপ সিঙে দুটাকৈ উইকেট লাভ কৰে। দক্ষিণ আফ্ৰিকাই ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৬৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। বিৰাট কোহলিক প্লেয়াৰ অব্ দ্যা মেচ হিচাপে আৰু প্ৰতিযোগিতাত ৮ খন খেলত ১৫টা উইকেট লাভ কৰা যশপ্ৰীত বুমৰাহক প্লেয়াৰ অব্ দ্যা টুৰ্ণামেণ্ট হিচাপে ঘোষণা কৰা হয়। ভাৰতে ইয়াৰ পূৰ্বে ২০০৭ চনত টি-টুৱেণ্টি বিশ্বকাপৰ খিতাপ লাভ কৰিছিল। কালিৰ খেলখনত জয়লাভ কৰাৰ পাছতেই বিৰাট কোহলি আৰু ৰোহিত শৰ্মাই টি-টুৱেণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ কথা ঘোষণা কৰে।

00000000

অসমৰ ক্ৰিকেটাৰ ৰিয়ান পৰাগে জিম্বাব'ৱেৰ বিৰুদ্ধে হ'বলগীয়া টি-টুৱেণ্টি ক্ৰিকেটৰ বাবে ঘোষণা কৰা ভাৰতীয় পুৰুষ দলত স্থান লাভ কৰিছে। শুভমন গিলৰ নেতৃত্বত এই দলটোত স্থান লাভ কৰি ক্ৰিকেটাৰগৰাকী ভাৰতীয় পুৰুষ ক্ৰিকেট দলত স্থান লাভ কৰা প্ৰথমগৰাকী অসমীয়া হিচাপে পৰিগণিত হৈছে। আনহাতে, ইয়াৰপূৰ্বে উমা চেত্ৰীয়ে ভাৰতীয় মহিলা দলত স্থান লাভ কৰিছিল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই খেলুৱৈগৰাকীক ভাৰতীয় দলত স্থান লাভ কৰাৰ বাবে অভিনন্দন জ্ঞাপন কৰে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয় যে উন্নত প্ৰদৰ্শনেৰে নিৰ্বাচক তথা সমালোচকৰ দ্বাৰা প্ৰশংসিত হৈ অহা ৰিয়ান পৰাগৰ এই খবৰে তেওঁক উৎফুল্লিত কৰি তুলিছে। খেলুৱৈগৰাকীক কৃতকাৰ্যতাৰ যাত্ৰা অব্যাহত ৰাখিবলৈ শুভেচ্ছা জ্ঞাপন কৰে।

00000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে উত্তৰ পূৰ্বাঞ্চলত শান্তি বৰ্তাই ৰখাৰ বাবে কেন্দ্ৰীয় চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰিছে আৰু অঞ্চলটোৰ বিভিন্ন সমস্যা বিগত ১০ বছৰত সমাধান কৰা হৈছে। যোৱা ২৭ জুনত সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত ভাষণ দি তেওঁ কয় যে, জনসাধাৰণে এইবাৰ অনুধাৱন কৰিছে যে চৰকাৰেহে তেওঁলোকৰ আশা-আকাংক্ষা পূৰণ কৰিব পাৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, নতুন চৰকাৰে সংসদৰ পৰৱৰ্তী অধিৱেশনত প্ৰথমখন সাধাৰণ

বাজেট দাখিল কৰিব। সুদূৰপ্ৰসাৰী নীতি আৰু ভৱিষ্যৎ দৃষ্টিকোণেৰে এই বাজেটখন প্ৰস্তুত কৰা হ'ব আৰু ক্ষিপ্ৰতাৰে এই বাজেটখনৰ বিভিন্ন সংশোধন কৰা হ'ব। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, বিগত ১০ বছৰত দেশখন একাদশ স্থানৰ পৰা পঞ্চম বৃহৎ অৰ্থনীতিৰ দেশলৈ পৰিগণিত হৈছে।

০০০০০০০০

জ্যেষ্ঠ বিজেপি সাংসদ ওম বিৰলা পুনৰ লোকসভাৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হৈছে। পদটোৰ বাবে সাংসদ কে সুৰেশক প্ৰক্ষেপ কৰা কংগ্ৰেছ দলে সদনত ভোটগ্ৰহণৰ দাবী উত্থাপন নকৰাৰ পৰিপ্ৰেক্ষিতত পূৰ্বৰ লোকসভাৰ অধ্যক্ষগৰাকী মৌখিক ভোটত একেৰাহে দ্বিতীয়বাৰৰ বাবে নিৰ্বাচিত হয়।

অধ্যক্ষ পদৰ বাবে শ্ৰীবিৰলা নিৰ্বাচিত হোৱাৰ লগে লগে ইতিহাসৰ সৃষ্টি হ'ল বুলি মত প্ৰকাশ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, সদনত পৰৱৰ্তী ৫ বছৰৰ বাবে শ্ৰীবিৰলাই আগবঢ়াবলগীয়া দিহা-পৰামৰ্শৰ বাবে সকলোৱে আগ্ৰহেৰে অপেক্ষা কৰিছে।

বিৰোধী দলৰ নেতা ৰাহুল গান্ধীয়েও নৱনিৰ্বাচিত অধ্যক্ষ শ্ৰীবিৰলাক অভিনন্দন জনাই কয় যে, এই সদনে জনসাধাৰণৰ কণ্ঠক প্ৰতিনিধিত্ব কৰে। সদনৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত বিৰোধী পক্ষই সহায় সহযোগিতা আগবঢ়াব বুলিও তেওঁ শ্ৰীবিৰলাক নিশ্চিত কৰি দিয়ে।

০০০০০০০০

অসম চৰকাৰে সৰ্বশিক্ষা অভিযানৰ অধীনৰ শিক্ষকসকলক সকাহ দিয়াৰ লক্ষ্যৰে ৩৫ হাজাৰ নতুন শিক্ষকৰ পদ সৃষ্টি কৰি বিশেষ নিযুক্তিৰ ব্যৱস্থা কৰিছে। এই পদসমূহৰ বাবে কেৱল সৰ্বশিক্ষা অভিযানৰ অধীনৰ শিক্ষকসকলেহে আবেদন কৰিব পাৰিব। নলবাৰীত ২৭ জুনত অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠকৰ পাছত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমৰ আগত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে এই সিদ্ধান্তৰ ফলত পূৰ্বৰ অনিয়মীয়া পদসমূহ বিলুপ্ত হোৱাৰ লগতে নতুন পদত নিযুক্তি লাভ কৰাসকলে চৰকাৰী নিৰিখ অনুসৰি দৰমহা আৰু বাৰ্ষিক দৰমহাৰ বৃদ্ধি লাভ কৰিব। মন্ত্ৰীসভাই পৰিবহন আৰু যান-বাহন সম্পৰ্কীয় দুটা সিদ্ধান্ত গ্ৰহণ কৰিছে। এই অনুসৰি মটৰ চাইকেলৰ আৰোহীক কেৱল হেলমেট পৰিধান নকৰিলেহে জৰিমনা বিহা হ'ব। যান-বাহন আৰক্ষীয়ে দুচকীয়া বাহনৰ চালকক অন্য নথিপত্ৰজনিত বিষয়ত জৰিমনা বিহিব নোৱাৰিব। ইপিনে, অটো, ৰিক্সাকে ধৰি তিনিচকীয়া বাহনৰ গৰাকীয়ে বাহন চালনা বা পাৰ্কিঙৰ ক্ষেত্ৰত কৰা অপৰাধ ৪ বাৰলৈ ৰেহাই দিয়া হ'ব। পঞ্চম বাৰ কৰা ভুলৰ ক্ষেত্ৰতহে জৰিমনা বিহা হ'ব। এই ক্ষেত্ৰত পৰিবহন বিভাগক ১৫ দিনৰ ভিতৰত নীতি-নিৰ্দেশনা জাৰি কৰিবলৈ কোৱা হৈছে।

০০০০০০০০

অসম চৰকাৰে মাদক দ্ৰব্যৰ বিৰুদ্ধে গ্ৰহণ কৰা কঠোৰ স্থিতি অক্ষুণ্ণ ৰাখি ২ হাজাৰ ১০০ কোটিতকৈও অধিক টকা মূল্যৰ মাদক দ্ৰব্য জব্দ কৰিছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ২৬ জুনত আন্তঃৰাষ্ট্ৰীয় মাদক দ্ৰব্য আৰু নিচাযুক্ত সামগ্ৰী সৰবৰাহ বিৰোধী দিৱসৰ পৰিপ্ৰেক্ষিতত এই কথা উল্লেখ কৰি কয় যে ৰাজ্যখন মাদক দ্ৰব্য মুক্ত কৰাৰ দিশত চৰকাৰে লক্ষ্য স্থিৰ কৰিছে। ভৱিষ্যতৰ অসমখনক যাতে নতুন প্ৰজন্মই মাদক দ্ৰব্যৰ আসক্তিৰ পৰা মুক্ত হৈ সুস্থ জীৱন লাভ কৰিব পাৰে তাৰ বাবে এই প্ৰচেষ্টা লোৱা হৈছে বুলি তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে এই প্ৰচেষ্টাৰ দ্বাৰা অসমক মাদক দ্ৰব্য মুক্ত কৰাই নহয় সমগ্ৰ দেশক মাদক দ্ৰব্যৰ পৰা মুক্ত কৰিবলৈ বৃহৎ প্ৰচেষ্টাত অৰিহণা যোগোৱা হ'ব।

এয়াই আছিল বিগত সপ্তাহত আঞ্চলিক বাতৰিত স্থান লাভ কৰা উল্লেখযোগ্য বাতৰিসমূহত আলোকপাত।

০০০০০০০০

**সমাপ্ত**